

# চহৰৰ পুখুৰী এটাৰ বন্য জীৱন ।

**Original Publisher:** Pratham Books
**Author:** Ashish Kothari
**Illustrator:** Sangeetha Kadur
**Translator:** Rupali Saikia ( Tamuli )

storyweaver Community

স্তৰ ৪



বাহিৰত আন্ধাৰ আছিল । সেয়ে মই মোৰ খিৰিকিৰপৰা বেছি একো  দেখা নাছিলোঁ ।  সেইদিনা আবেলিহে মই ভাৰতৰ পুণেৰ এখন  চহৰত থাকিবলৈ আহিছিলোঁ ।  মোৰ এনে লাগিছিল আন্ধাৰৰপৰা যেন শ‘ শ‘ বেসুৰা ৰেডিঅৰ সুৰ ভাঁহি আহিছে !

পিছদিনা ৰাতিপুৱাহে ইয়াৰ ৰহস্য উদ্ঘাটন হ‘ল । মোৰ ঘৰৰ বাৰন্দাৰ  তলত এটা সৰু পুখুৰী আছিল ।

মই উপলব্ধি কৰিলোঁ পুখুৰীটোত এনে কিছুমান জীৱই বাস কৰে যিবিলাকে মাত্ৰ ৰাতিহে সাৰ পাই থাকে !

মই লক্ষ্য কৰিছিলোঁ, এই সময়ত অবিশ্বাস্য ধৰণে পুখুৰীটোৰ  পৰিৱৰ্তন হৈছে । গৰমৰ দিনত ঠাইখনক শুকান নিৰ্জীৱ অনুৰ্বৰ জলাশয়  যেন লাগে । কিন্তু বৰ্ষাকাল অহাৰ লগে লগে অৰ্কেষ্ট্ৰাৰ নিৰ্দেশকৰ নিৰ্দেশৰ কাৰণে অপেক্ষা কৰি থকা অৰ্কেষ্টাই যেন ইয়াৰ জীৱনত  প্ৰাণৰ সঞ্চাৰ কৰে । । তৃষাৰ্ত ভূমিয়ে মাটিৰ এক অতি সুন্দৰ গোন্ধ বিয়পায় । লগতে এই মটীয়া ৰঙৰ ভূখণ্ডৰ ওপৰত কোনো যাদুকৰে কৰিব নোৱাৰা নীলা আৰু সেউজীয়া ৰঙ বুলাই মৰীচিকাৰ সৃষ্টি কৰে ।



কেইদিনমানৰ ভিতৰতে খাগৰিৰ পাতবোৰত ৰ'দৰ ৰূপালী ৰং পৰি
জিলিকি উঠিছে। মৃত যেন দেখা গছ-গছনিবোৰ হঠাৎ সগৌৰৱে মূৰ
ডাঙি থিয় দিছে। টাইফা গছবোৰ বতাহত হালি-জালি
মতলীয়া হৈ উঠিছে আৰু কাষতে থকা কোনোবা গছৰ
শুধবগা কপাহৰ দৰে ফুলবোৰ চাৰিওফালে
বতাহত উৰি ফুৰিছে।





প্ৰকৃতিৰ এই নৃত্য গীতত অন্য কীট-পতঙ্গবোৰেও অংশ গ্ৰহণ কৰে। উজ্বল নীল ৰঙৰ মাছৰোকা চৰাইবোৰে শান্তভাৱে গছৰ ডালত বহি অপেক্ষা কৰি হঠাৎ উৰি গৈ ডুব মাৰি এসোপামান পানী ছিটিকাই এটা মাছ ধৰি আনে। শিপিনী টোকোৰা চৰাই আৰু খহটা বুকুৰ মুনিয়া চৰাইবোৰে ইকৰা গছৰ ওপৰৰপৰা বাহ সজাৰ সামগ্ৰী সংগ্ৰহ কৰে।





পুখুৰীটোৰ ঢলানত এযোৰ লেপউইং ('টিটিৰ) ঘূৰি ফুৰা চকুত পৰে । সিহঁতে বাৰু মাটিৰ ৰঙৰ লগত মিলি থকা সিহঁতৰ অকণমান দ‘ কণী থকা বাহবোৰক ৰক্ষা কৰিছে নেকি ? মই সেইবুলিয়েই ভাবিছোঁ, কাৰণ যেতিয়াই কোনো মানুহ কাষলৈ আহে, সিহঁতে কোলাহল কৰি ‘তোমালোকে এইটো কৰিছিলা নেকি, তোমালোকে এইটো কৰিছিলা নেকি‘ বুলি চিঞৰি চিঞৰি উৰি আহি উপস্থিত হয়হি ।

পানীত থকা শিল কিছুমান ৰ'দত জিলিকি থকা মোৰ চকুত পৰিছিল ।
কিন্তু বাইনকুলাৰটো সিহঁতৰ ওপৰত নিবদ্ধ কৰি মই আচৰিত হ'লোঁ ।
পিছত দেখিলোঁ সেয়া শিল নহয় কাছহে । তেতিয়াই মই পানীৰ তলত আৰু
বহুতো কাছই মাত্র সিহঁতৰ মূৰটো উলিয়াই সাঁতুৰি থকা দেখিলোঁ । এসপ্তাহ
আগতে মাত্র মাটি দেখিছিলোঁ আৰু এতিয়া ইমানবোৰ কাছ ক'ৰ পৰা
আহিল ? শুকান গৰমৰ দিনত পুখুৰীত সিহঁতে মাটিৰ তলত শুই থাকি
বাৰিষা পুখুৰীটো পানীৰে ভৰপূৰ হৈ উঠালৈ
অপেক্ষা কৰি থাকে বুলি মই কোনোবা
কিতাপত পঢ়িছিলোঁ । সিহঁতক
সন্মান জনাই মই পুখুৰীটোৰ
দিলোঁ ফ্লেপছেল
কাছৰ পুখুৰী!







কাছবোৰৰ চাৰিওফালে বহুতো চৰাই ঘূৰি ফুৰিছিল । বগা বুকুৰ পানীহাঁহ জনীয়ে ইচ্ছাকৃতভাৱে  ইফালে সিফালে অহা-যোৱা কৰি আহাৰ বিচাৰি ফুৰিছে । কিছুমান বগলীয়ে পুখুৰীৰ  দীঘল ইকৰাবোৰৰ মাজত  চোপ লৈ চিকাৰ কৰিবলৈ লোৱা চৰাইৰপৰা অহা সম্ভাব্য বিপদত সতৰ্কতা অৱলম্বন কৰে । বৰুষুণ অহাৰ লগে লগে এযোৰ  ফুটফুটীয়া ঠোঁটৰ হাঁহে প্ৰকৃতিৰ ৰান্ধনিশালত শামুক আৰু জলজ উদ্ভিদ বিচাৰি  উপস্থিত হয়হি !





এটা সময়ত ৰঙা  কাকতি ফৰিং,  বিভিন্ন ৰঙৰ পখিলা,
অতি কোমল কম বয়সীয়া বিভিন্ন গাভৰু পটঙ্গৰে বতাহ ভৰি পৰে ।
সিহঁতক অতি কাষৰ পৰাহে দেখা পোৱা যায়।
কীট-পতঙ্গ আৰু চৰাইবোৰ লগ হৈ সাধাৰণতে ৰাতি সৃষ্টি কৰা সুৰ লহৰতকৈ একধৰণৰ বেলেগ বাৰিষাৰ সুৰ লহৰৰ সৃষ্টি কৰে ।



ইমান সৰু পুখুৰী এটাত কিবা স্তন্যপায়ী জীৱ নাথাকে বুলি মই নিশ্চিত আছিলোঁ, কিন্তু মোৰ ভুল হৈছিল । প্ৰায়ে পুখুৰীটোৰ পানীৰ কাষলৈ নেউল অহা মোৰ চকুত পৰিছিল । এদিন তো তিনিটা পোৱালিৰে সৈতে সিহঁতৰ গোটেই পৰিয়ালটোকে মই দেখিবলৈ পালোঁ ।



কথাটো হ’ল, নেউল থকা এই পুখুৰীটোত নিশ্চয় সাপো থাকিব ? অৱশেষত ৰং-বিৰঙৰ জলধোৰা সাপ, পানীত থকা অন্যান্য সাপ ইকৰা গছবোৰৰ মাজত বগাই থকা দেখাৰ সৌভাগ্য হ’ল ।



কিন্তু ৰাতিৰ  সেই কাণ তালমৰা শব্দবোৰৰ সৃষ্টিৰ উৎস নো কি ?

চুক ভেকুলী আৰু বিভিন্ন ধৰণৰ শ’ শ’ ভেকুলী ইয়াত থাকে ।   সিহঁতে টোৰটোৰাই লগৰীয়াক আকৰ্ষণ কৰে !

গাৰ ভিতৰত লাউড স্পীকাৰ লগাই থোৱা ফৰিংবোৰে ৰঙা ইকৰাৰ পাতত ওলমি এই কামত সিহঁতক সহযোগিতা কৰে । মনোযোগেৰে শুনাৰ পাছত মই সিহঁতৰ এই সুৰ সময়লৰ প্ৰশংসা কৰিবলৈ শিকিলোঁ ।

ৰাতিৰ এই সুৰ সমলয়ত প্ৰায়েই আলহী হিচাবে উপস্থিত হোৱা ফেচাও দেখিলোঁ। টৰ্ছটো জ্বলাই তল-ওপৰ কৰাৰ লগে লগে মই ফুটফুটীয়া ফেচা কেইটামান দেখিবলৈ পালোঁ।

প্ৰায়েই গোটেই ৰাতিটো বেসুৰা কঠিন ’চুক-চুক-চৰৰৰ-চৰৰ’ শব্দ কৰি কৰি থকা চিকাৰী চৰাইবিধো ইয়াত দেখিবলৈ পোৱা যায়।





এদিন মই বৰ ভয় খালোঁ । নাই, নাই, সাপ, বগলী দেখা ঠোঁটৰ কাৰণে নহয়, বৰঞ্চ কিছুমান মানুহ পুখুৰীটোৰ চাৰিওফালে ঘূৰি ফুৰাৰ কাৰণেহে । মোৰ এনে লাগিছিল যেন, সিহঁতে ঠাইখিনি নিৰীক্ষণ কৰিছে । প্ৰতিৱেশীৰপৰা গম পালোঁ, সিহঁতে জলাশয়টোত মাটি ভৰাই ঘৰ সাজিব ! মোৰ বৰ দুখ লাগিল । মই এনে হ‘বলৈ নিদিও । তাকে কৰিবলৈ মই এজন বন্ধু আৰু কাষৰ ল‘ৰা-ছোৱালীহঁতক গোটাই লৈ সংবাদ মাধ্যমক মাতিলোঁ।

পাছদিনা বাতৰি কাকতত ল‘ৰা-ছোৱালীহঁতৰ অনুৰোধৰ খবৰ প্ৰকাশ পালে । প্ৰতিৱেশীসকলেও বিভিন্ন অধিকাৰী, পৰিৱেশ সংৰক্ষণৰ লোকক পুখুৰীটো ৰক্ষা কৰিবলৈ অনুৰোধ কৰিলে । আমি ডি, চিকো নিমন্ত্ৰণ কৰিলোঁ । প্ৰথমে তেওঁ সন্মত হোৱা নাছিল, কিন্তু সুৰ সমলয় শুনাৰ পাছত তেওঁ আমাৰ কথাত সন্মত হ’ল ।






অৱশেষত এই বুদ্ধিটো কামত আহিল ।
ফ্লেপছেল কাছৰ এই পুখুৰীৰ কাষত কোনো ধৰণৰ
নিৰ্মাণ কাৰ্য কৰিব নোৱাৰিব বুলি প্ৰশাসনে
জাননী দিলে । বৰ্ষা কালৰ এই সুৰ -সমলয়ৰ
যাদু উপভোগ কৰিবলৈ পোৱা মোৰ কাৰণে
বৰ ডাঙৰ সৌভাগ্য ৰ কথা ! জাননীৰ
পিছত মই সেই সুবিধা লাভ কৰিলোঁ ।



এখন চহৰৰ মাজত এয়া নিজা সুৰ সমলয়ৰে এখন সৰু জংঘল ।
হাজাৰ হাজাৰ সৰু-বৰ জীৱ-জন্তুক জীৱন দিয়াৰ লগতে প্ৰকৃতিৰ
নৃত্য ইয়াত চলি থাকিব । আমি মনত ৰাখিব লাগিব যে, কেতিয়াবা
কেতিয়াবা পাছচোতালতে যাদু দেখিবলৈ পোৱা যায় !



তোমালোকৰ ঘৰৰ কাষত পুখুৰী আছে নে ? ইয়াৰ ভিতৰৰ  আৰু চাৰিওফালৰ জীৱনৰ বিবিধতাক কেতিয়াবা নিৰীক্ষণ কৰিছা নে ? প্ৰদূষণ আৰু বিভিন্ন নিৰ্মাণ-কাৰ্যই  সিহঁতৰ কাৰণে শংকটৰ সৃষ্টি কৰিছে নেকি ? তুমি বাৰু তোমাৰ বন্ধু-বান্ধৱ আৰু তেওঁলোকৰ পিতৃ-মাতৃক পুখুৰীৰ জীৱকুলক ৰক্ষা কৰিবলৈ  ইচ্ছাা কৰিছা বুলি কৈছা নে ?

ইয়াত নিৰ্মাণ-কাৰ্য কৰিবলৈ লোৱা লোকসকলে কি কাৰণে ইয়াক সংৰক্ষণ কৰিবলৈ বিচাৰিছা এই কথা সুধিলে তুমি কি ক'বা ?

ইয়াৰ সাধাৰণ উত্তৰ হ'ল, চৰাই, কীট-পতঙ্গ আৰু অন্য জীৱ-জন্তুবোৰকো থাকিবৰ কাৰণে বাসস্থানৰ প্ৰয়োজন ।



চহৰত থকা এনেকুৱা হাজাৰ হাজাৰ পুখুৰীবোৰ বনৰীয়া জীৱ-জন্তু, কীট-পতঙ্গৰে ভৰি থাকিলে ভাল নহ'ব নে ? তোমালোকে পৃথিৱীৰ বিভিন্ন ঠাইৰ সৰু ল'ৰা-ছোৱালী আৰু ডাঙৰসকলৰ লগত কম্পিউটাৰ নেট ওৱৰ্কৰ সহায়ত অথবা মেইলৰ সহায়ত 'তোমালোকে পুখুৰীত কি দেখিছা আৰু সিহঁতক ৰক্ষা কৰিবলৈ কি কি কৰিছা' সেই বিষয়ে কথা-বতৰা পাতিব পাৰা !



storyweaver PRATHAM BOOKS

This book was made possible by Pratham Books' StoryWeaver platform. Content under Creative Commons licenses can be downloaded, translated and can even be used to create new stories - provided you give appropriate credit, and indicate if changes were made. To know more about this, and the full terms of use and attribution, please visit the following link.

## Story Attribution:

This story: চহৰৰ পুখুৰী এটাৰ বন্য জীৱন । is translated by Rupali Saikia ( Tamuli ) . The © for this translation lies with Rupali Saikia ( Tamuli ), 2022. Some rights reserved. Released under CC BY 4.0 license. Based on Original story: 'Wildlife in a City Pond', by Ashish Kothari . © Pratham Books , 2014. Some rights reserved. Released under CC BY 4.0 license.

## Images Attributions:

Cover page: All kinds of animals and insects in a pond and surrounding area enjoying the rain, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 2: A balcony viewed from inside the house, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 3: Rain drops falling on a water body, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 4: A bird catching a fish from the pond and flying away, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 5: Some birds sitting on stalks of plants and some hanging by their nests on trees, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 6: Two birds calling out and protecting their nest, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 7: Turtles sitting on a rock at the edge of water, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 8: Ducks, turtles and birds in and around the water body, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 9: Reeds jutting out of a water body with a tree branch above, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 10: Lots of colourful butterflies flying in a group, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license.

Disclaimer: https://www.storyweaver.org.in/terms_and_conditions

Some rights reserved. This book is CC-BY-4.0 licensed. You can copy, modify, distribute and perform the work, even for commercial purposes, all without asking permission. For full terms of use and attribution, http://creativecommons.org/licenses/by/4.0/

PRATHAM BOOKS storyweaver

This book was made possible by Pratham Books' StoryWeaver platform. Content under Creative Commons licenses can be downloaded, translated and can even be used to create new stories - provided you give appropriate credit, and indicate if changes were made. To know more about this, and the full terms of use and attribution, please visit the following link.

## Images Attributions:

Page 11: A family of mongooses on a cliff edge, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 12: A family of mongooses at the edge of pond with a snake inside it, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 13: Toads, frogs and crickets living beside a pond in and near the reeds, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 14: A little bird sitting on the ground in the corner, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 15: Two owls on a tree branch and a bird sitting on the ground at night, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 16: A small patch of land near a water body, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 17: People protesting against construction on a natural space, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 18: A serene pond in the middle of a residential area, by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 19: A pond surrounded by greenery , by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license. Page 20: Turtles and baya weaver birds , by Sangeetha Kadur © Pratham Books, 2014. Some rights reserved. Released under CC BY 4.0 license.

Disclaimer: https://www.storyweaver.org.in/terms_and_conditions

Some rights reserved. This book is CC-BY-4.0 licensed. You can copy, modify, distribute and perform the work, even for commercial purposes, all without asking permission. For full terms of use and attribution, http://creativecommons.org/licenses/by/4.0/

# চহৰৰ পুখুৰী এটাৰ বন্য জীৱন ।

(Assamese)

বেচিভাগ চহৰৰ জলাশয় সাধাৰণতে নিৰ্মাণ কাৰ্যৰ কাৰণে অপেক্ষাত থকা জাবৰ পেলোৱা ঠাই হিচাবেহে দেখা যায় । আমাৰ চহৰৰ পুখুৰীবোৰ প্ৰকৃততে কি, সেই কথা আমাক বুজাবলৈ পৰিৱেশবিদ এজনে বহুক কষ্টৰ সন্মুখীন হ'বলগীয়া হয় । যাদু সৃষ্টিকাৰী পৰিৱেশ ব্যৱস্থাক সংৰক্ষণে সঁচাকৈয়ে আমাক লাভবান্বিত কৰিব। সঁচা কাহিনীৰ ওপৰত নিৰ্ভৰ কৰি লিখা এইটো এটা গল্প । গল্পটোৱে আমাক ফ্লৰা আৰু ফণাৰ লগত আমাক চিনাকী কৰি দিছে ।

এইখন স্তৰ ৪ ৰ কিতাপ সেইসকল শিশুৰ বাবে যিসকল শিশুৱে সলসলীয়াকৈ আৰু আত্মবিশ্বাসেৰে পঢ়িব পাৰে।

PRATHAM BOOKS
storyweaver

Pratham Books goes digital to weave a whole new chapter in the realm of multilingual children's stories. Knitting together children, authors, illustrators and publishers. Folding in teachers, and translators. To create a rich fabric of openly licensed multilingual stories for the children of India  and the world. Our unique online platform, StoryWeaver, is a playground where children, parents, teachers and librarians can get creative. Come, start weaving today, and help us get a book in every child's hand!